প্ৰাণগঙ্গা

॥ কবিতাৰ শৰাই ॥

NABIN ...
8 FEB 1957

শ্ৰীলক্ষহীৰা দাস এম. এ. (এড্)

গুৱাহাটী

১৯৫৭ চন

প্ৰথম প্ৰকাশ ঃ
ডিচেম্বৰ ঃ ১৯৫৭

প্ৰকাশক ঃ
স্বপ্ন প্ৰকাশ
গুৱাহাটী
অসম

ছবি ঃ
শ্ৰীমনীন্দ্ৰ মিত্ৰ

মুদ্ৰণ ঃ
শ্ৰীৰামচন্দ্ৰ দেৱ দ্বাৰা,
ইউনিয়ন আৰ্ট প্ৰেছ
কলিকতা-১২ৰ পৰা

মূল্য এটকা মাথোন

8 FEB 1958

'সপোনটি' আৰু 'ছন্দটি'

মোৰ পোনাকণ দুটিলৈ—

॥ সিহঁতৰ মাক ॥

Please handle the book carefully.

সূচী

কবিতা

১। প্ৰাণগঙ্গা (১৯৫৭) … …

২। উপাসনা (১৯৫২) … …

৩। দৃষ্টিপাত (১৯৫২) … …

৪। ৰূপসেতু (১৯৫৩) … …

৫। তোমাৰ প্ৰেম (১৯৫৬) … …

৬। নিৰুত্তৰ (১৯৫৬) … …

৭। সুৰধ্বনি (১৯৫৭) … …

৮। এনুৱা জোনালী নিশা (১৯৫৬) …

৯। বৰষা (১৯৫৬) … …

১০। শেষৰ কবিতা (১৯৫০) … …

১১। মাটিৰ সৰগ (১৯৫০) … …

১২। দৃষ্টি (১৯৫৬) … …

১৩। বেদনাৰ ভাষা (১৯৫৬) … …

১৪। সূচনা (১৯৫৬) … …

১৫। উৰণীয়া (১৯৫৫) … ..

১৬। অনাগত (১৯৫৫) … …

১৬। আকাশ পিয়াসী (১৯৫৫) .. …

১৭। হে সূৰ্য্য (১৯৫২) … …

১৮। স্বাগতম (১৯৫৫) … …

১৯। এটি গধূলিৰ কবিতা (১৯৫৭) … …

কবিতা		পৃষ্ঠা
২০।	সুপ্ৰভাত (১৯৫১)	৪০
২১।	তিমিৰ যাত্ৰী (১৯৫১)	৪৩
২২।	ক্ষতি নাই (১৯৫৫)	৪৫
২৩।	ইঙ্গিত (১৯৫৭)	৪৭
২৪।	শেষ সন্ধ্যা (১৯৫৬)	৪৮
২৫।	তুমি নাই (১৯৫৭)	৪৯
২৬।	মিনতি (১৯৫৬)	৫১

28 FEB 1958

8 FEB 1958

প্ৰাণগঙ্গা

প্ৰাণগঙ্গাৰ উৰ্ম্মিমালাৰ
মন্দমধুৰ সুৰে
যন্ত্ৰী, তোমাৰ তন্ত্ৰী বীণাৰ, স্পন্দিত জানো কৰে ?

নিস্বত হয় শান্ত সুধীৰ
মিলনপিয়াসী গীতি—
প্ৰাণসনা ধীৰ আৰাহনীত, চকুৰ লোতক জৰে ?

মোৰ অজন্তাৰ গুহা ভেদি উঠা
শুনা জানো স্তুতি-গীতি,
স্বপ্নালু নিশা মনপাপীয়াই, কাক উঠে মাতি মাতি ?
প্ৰাণগঙ্গাৰ উৰ্ম্মিবুকুত
কিহৰ চঞ্চলতা,
অৰ্থ যে তাৰ মোৰ ই হিয়াৰ অবাধ বিলাসীতা ॥

মোৰ গঙ্গাৰ জোৱাৰ-উতলা
বুকুৰ অৰ্থ তুমি,
জীৱনৰ যত মুখৰতা তাতো ধ্বনিত তোমাৰে বাণী ॥
পান্থজটিল জীৱনৰ নৈ
কিয়বা নৃত্যশীলা
মোহনা শেষত, সাগৰ বুকত, কিয় ঢালি দিও হিয়া ?

Please handle the book carefully.

প্ৰাণগঙ্গা

মন দেউলত সন্ধ্যাৰতিৰ
আকুতি শুনানে প্ৰিয়,
ক্লান্ত হিয়াৰ মূৰ্চ্ছনা জাগে, হেৰা মোৰ বৰণীয় ॥

শান্ত হে মোৰ, হে প্ৰশান্ত
জীৱন বীণাৰ যন্ত্ৰী,
তোমাৰ সুৰৰ পৰশ লাগি, কঁপিল হিয়াৰ তন্ত্ৰী ।

শূন্য বুকুত মুক্ত হিয়াৰ
সুৰৰ সপোন জৰে,
বহু উজাগৰী নিশাৰ প্ৰহৰ
লোতকেৰে ভৰি পৰে ॥

প্ৰাণৰ গঙ্গা সেয়ে অশান্ত
কল্লোল ভৰা বক্ষ
শান্ত তোমাৰ, শান্ত্বনা দিয়া
দেখুৱাই দিয়া লক্ষ্য ॥

উপাসনা

কোন তুমি—
বিচিত্ৰ বিশ্বৰ এই চিত্ৰলেখা খনি আঁকি
ধৰা দিব খোজা মোৰ চিত্তৰ মাজত ?
অহেতুক পুলকেৰে পৰাণ প্ৰোজ্জল কৰি
উৰুৱাব খোজা মোক আকাশা পথত ?
প্ৰতি স্বপ্ন জাগৰণ অৰ্থপূৰ্ণ কৰি জীৱনত,
নিতউ সঁহাৰি দিয়া দিবসৰ লক্ষ পলকত !
দূৰে দূৰে, বাৰে বাৰে, আঁৰে আঁৰে অদৃশ্য বেশত ॥

অভিপ্ৰায় নেজানো তোমাৰ—
মৰ্ত্ত্যৰ বন্দীক যাছি অমৃতৰ অভিলাষ
তৃপ্ত জানো পিপাসা তোমাৰ
পঙ্কৰ সাগৰ মগ্ন, জৰাজীৰ্ণ জীৱনত
মুক্তি স্পৃহা যাছি অনিবাৰ,
অমৃতৰ অভিলাসী কৰি মোক বাৰে বাৰে
অহেতুক আনন্দ তোমাৰ ।

তথাপিতো জয়ী তুমি, পৰাজিত মই ।
সেয়েহে,
নিস্তব্ধ নিবিড় নিশা নিদ্ৰাহীন নক্ষত্ৰ সভাই
যেতিয়া নীৰৱে কৰে বন্দনা তোমাৰ,

তেতিয়া,—তেতিয়া মই পাৰহৈ ইবিশাল পঙ্কৰ সগেৰ,
চিৰন্তন, নিৰন্তৰ অসীম তৃষ্ণাত তোলো
ব্যগ্ৰ আলিঙ্গন, অনন্তৰ বাবে।
প্ৰতিচিন্তা, প্ৰতি কৰ্ম্ম, প্ৰতিশব্দ কণ্ঠসীমা থেলি,
সৃষ্টি কৰে স্বৰ্ণসেতু অপূৰ্ব্ব সুন্দৰ
তোমা-মোৰ নিগূঢ় মনৰ ॥

বিৰাম বিশ্ৰামহীন, বিষন্নতা ভৰা এই
বন্ধনৰ চিগি মায়াজাল
বিশ্বৰ আকাশ জুৰি, নীৰৱে বাগৰে যত
লাবণ্যৰ মৃত্যুহীন সোঁত—
সেই শান্তি-প্ৰবাহৰ মই ক্ষুধাতুৰ ॥

ক্ষুধিতৰ উপাসনা শুনা হে সুন্দৰ—
সৰ্পসম কলঙ্কিত, শৃঙ্খলিত দুহাতৰ
লোৱা যত ৰক্ত অৱদান,
আৰু লোৱা, হৃদয়ৰ যুগমীয়া বন্ধনৰ,
ক্ৰন্দনৰ, অশ্ৰুসিক্ত গান,
উদ্দীপ্ত উল্লাস সনা মোৰ মহাচেতনাৰ
লোৱা যত ভক্তিভৰা দান ॥

জৱনৰ আঁৰে আঁৰে, সপোনৰ পাৰে পাৰে
চেতনাৰ আঁহে আঁহে মোৰ উপাসনা,

বাজি উঠে নিৰন্তৰ আকাশে বতাহে নীলিমায়,
দীপ্তভাষা প্ৰাৰ্থনাৰ প্ৰকাশিছে নয়নতৰাই,
অকথিত অন্তৰৰ অৰ্ঘ্যদীপ যাছি দিও—
প্ৰাণময়, প্ৰেমময়, তোমাকে ধিয়াই ॥

দৃষ্টিপাত

বহি আছো অকলৈ—
সম্মুখত জীৱনৰ উদ্বেলিত সিন্ধুপটভূমি,
দগ্ধ-স্বৰ্ণ-ৰেণুসম বালুকণা ৰাশি,
সদ্য নিদ্ৰা জাগৰিত দূৰ পূৰ্ব্বাচল,
তৰঙ্গ মথিত সিক্ত সাগৰ সৈকত ॥

উন্মাদ উদ্দাম বেগে বৈ যায় জীৱনজাহ্নৱী,
ক্ষণে ক্ষণে তৰঙ্গৰ বিপুল চঞ্চল সোঁত
পলে পলে দূৰাকাশ স্নিগ্ধ, শান্ত, অপৰূপ
মনে মনে অন্তৰৰ নিৰুদ্ধ বেদনা জাগে,
গানে গানে কান্দি উঠে ৰিক্ততাৰ সুৰ
স্তব্ধ চিত্ত, ভাষাহীন, মৌন, বিয়াকুল ॥

প্ৰাণগঙ্গা

বিস্মৃত স্মৃতিৰ ব্যথা শূন্য হিয়া ভৰি—
অৰ্দ্ধ নিমিলীত চকু অজানিতে অন্তৰীক্ষ চুমি,
ভ্ৰমি ফুৰে মন মোৰ,
কোন মহা অতীতৰ সুপ্ৰাচীন অন্তৰ কক্ষত,
স্বৰ্গচ্যুত তাৰকাৰ লক্ষ্যহীন গতি সম,
স্ৰোতস্বিনী প্ৰবাহৰ নিবিড় বক্ষত ॥

জন্মজন্মান্তৰ কত যুগমীয়া স্বপ্নলীলা
আনন্দৰ শিহৰণ প্ৰকৃতি বুকুত ঢলা
কত শান্ত সন্ধিয়াৰ প্ৰেমমুগ্ধ স্তুতিগীতি
গাঁথিছিলো হে বিপুলা, তোমাৰ পাৰতে বহি
ভবিষ্যৰ স্বৰ্ণ সৌধ, বসন্তৰ বাঙ্ময় গীতেৰে
মানসৰ মঞ্চভৰা মালঞ্চৰ মধুসানি
আকাঙ্খাৰ অপৰূপ, অপূৰ্ব্ব জ্যোতিৰে ॥

হেৰা মোৰ জীৱনজাহ্নবী,
নিক্ষেপিলা যদিওবা বিস্মৃতি গৰ্ভত মোক
ময়ে তব চিৰন্তন, চিৰনব কবি।
শাপভ্ৰষ্ট দেবশিশু,
তোমাৰেই ইঙ্গিতৰ যুগমীয়া আৱৰ্ত্তত
স্বৰ্গচ্যুত হৈ, উপেক্ষিলো আশ্ৰয় বন্দৰ ॥

প্ৰাণগঙ্গা

থিয় দিছা সন্মুখত নিষ্ঠুৰ বেশেৰে,
ছিন্ন ভিন্ন কৰি মোৰ কালজোৰা
স্মৃতিৰ সংগ্ৰহ,
অনাদি কালৰ যত যোগসূত্ৰ, দীৰ্ঘইতিহাস,
আতমাৰ চিৰ আত্মীয়তা—
বিশ্বৰ বেদনা বৈ বিশ্বস্মৃতি ভাৰাক্ৰান্তা
হে জাহ্নবী আজি তুমি আপোন বিস্মৃতা ॥

———

ৰূপসেতু

নীল আকাশত আজি মাজনিশা
কোনে সিচে তৰাফুল—
কাৰ নয়নৰ মুকুতা সৰিল
পোহৰে মচিলে কূল ॥
বন্ধন কাৰা মনৰ মাজৰ
ৰঙৰ উছব প্ৰকৃতি বুকৰ—
নফুলি নফুলি অন্তৰ-কলি
আজি ফুলি ভাঙে ভুল ॥
জোৱাৰ আহিল জীৱন ধুৱাই
চুমি মোৰ দুয়ো কুল,

প্ৰাণগঙ্গা

প্ৰাণসৰসীত উৎপল দলে
পাতিলে শুৱনী থুল ।

দিগবলয়ৰ বুকুত জিলিকে
আকাশী তৰাৰ দুল,
কুমাৰী কুসুমে মেলিলে পাপৰি
পিন্ধিলে পৰাগ দুল
নীল আকাশত সেয়েহে ফুলিছে
হাজাৰ তৰাৰ ফুল ॥

সাঞ্জৰ শলিতা সীমাৰ শেহৰ
সপোন শুৱনী দূৰ পশ্চিমৰ
মনৰ তমসা বুকুত ফুলায়
পোহৰৰ ভেট ফুল,

শাৰী শাৰী নাচে জোনাকী পৰুৱা
বিৰিণাৰ বন সপোন বলীয়া,
নীলা পহুমৰো দুখনি গালত
মৰম-হেঙুলী বোল,
সেয়েহে ফুলিল আজি মাজনিশা
ৰাশি ৰাশি তৰাফুল ॥

গধূলিবেলাৰ ৰাঙলী বোলেৰে
সন্ধ্যাৰবিৰ অস্তৰাগেৰে

প্ৰাণগঙ্গা

যেতিয়া দূৰৰ আকাশ বিহাৰী
আপ্লুত পখীকুল,
পাৰভাঙি আহে বন্ধ মনৰ
বন্দনা গীতি শতেক দিনৰ
সুৰৰ সোতত দিও উটুৱাই
বিকশিত মন-ফুল ॥
বনহংসীৰ সহাৰি দূৰৰ
পলৰীয়া মন পগলা সুৰৰ,
চিৰ পৰিচিত, চিৰ অনাহুত
কত ভাবে খুন্দিয়ায়,
মহাজীৱনৰ সোঁতত উটি
পলৰীয়া মোৰ চৰণ দুটি,
হাজাৰ নুফুলা নিৰ্বাক ফুল
মনৰ বননি ভৰি,
মই জানো আৰু জানে তৰাবোৰে,
আমাৰ জীৱন বন্ধা কাৰ সুৰে,
মাজনিশা আমি কিয় জাগি ৰও
কি দুখে হৃদয় পোৰে,—
মই জানো আৰু জানে দূৰণিৰ
আকাশৰ তৰাবোৰে ॥

তোমাৰ প্ৰেম

তোমাৰ কেশৰ ঢউ লেখি লেখি
মত্ত মন—
যৌবনৰঙা কেঁচা কলিজাৰ মৃদু স্পন্দন,
শুনানে মৰমী, মুগ্ধ হিয়াৰ অনুকম্পন,
মোৰ ইতিহাসে লিখে পাতে পাতে
তোমাৰ স্মৰণ ।
কাৰ, তড়িৎ পৰশে , ৰঙে ৰূপে ৰসে
শতবৰ্ষৰ উপবাসী হৃদয়ৰ,
শূন্য ছোৱাহী কৰিলে পূৰ্ণ
সুখ শিখৰত আৰোহি জীৱনে
মানিলে ধন্য ।।
মৰমী তোমাৰ শ্ৰীময়ী মুখত,
মাধুৰী মায়াৰ উৎসৰ পালো দিশা,
চিৰন্তনীৰ ইঙ্গিত যেন
তোমাৰ চকুৰ ভাষা,
নিঃসঙ্গতাৰ নিশা অবসান
যেতিয়া তোমাৰে দেখা
ফাগুনী পখীৰ উতলা গানত
বুটলি বুটলি তোমাৰে সুৰ

প্ৰাণগঙ্গা

জোনাকৰ ঢউ ভাঙি ভাঙি ভাঁহে
সঙ্গীত সুমধুৰ,
বাজে ৰিনি ৰিনি কাৰ কিঙ্কিনী
প্ৰেমবিজড়িত চৰণ নুপুৰ ॥
মোৰ সত্তাক কৰিলাযে ছাই
প্ৰাণবতী তুমি, প্ৰেমৰ অগনি জ্বালি
প্ৰথম সপোন জগাই তুলিলা
তৃষ্ণাতুৰ ই হিয়াত—
কস্তুৰীসম প্ৰাণপৰশেৰে
সুৰভিত কৰি মন
বিকশিত কৰা জীৱনকুসুম
মৰমৰ গৰীমাত ॥

তোমাৰ প্ৰেম

তোমাৰ কেশৰ ঢউ লেখি লেখি
মত্ত মন—
যৌবনৰঙা কেঁচা কলিজাৰ মৃদু স্পন্দন,
শুনানে মৰমী, মুগ্ধ হিয়াৰ অনুকম্পন,
মোৰ ইতিহাসে লিখে পাতে পাতে
তোমাৰ স্মৰণ ।

কাৰ, তড়িৎ পৰশে , ৰঙে ৰূপে ৰসে
শতবৰ্ষৰ উপবাসী হৃদয়ৰ,
শূন্য ছোৱাহী কৰিলে পূৰ্ণ
সুখ শিখৰত আৰোহি জীৱনে
মানিলে ধন্য ।।

মৰমী তোমাৰ শ্ৰীময়ী মুখত,
মাধুৰী মায়াৰ উৎসৰ পালো দিশা,
চিৰন্তনীৰ ইঙ্গিত যেন
তোমাৰ চকুৰ ভাষা,
নিঃসঙ্গতাৰ নিশা অবসান
যেতিয়া তোমাৰে দেখা ।

ফাগুনী পখীৰ উতলা গানত
বুটলি বুটলি তোমাৰে সুৰ

প্ৰাণগঙ্গা

জোনাকৰ ঢউ ভাঙি ভাঙি ভাঁহে
সঙ্গীত সুমধুৰ,
বাজে ৰিনি ৰিনি কাৰ কিঙ্কিনী
প্ৰেমবিজড়িত চৰণ নুপুৰ ॥
মোৰ সত্তাক কৰিলাযে ছাই
প্ৰাণবতী তুমি, প্ৰেমৰ অগনি জ্বালি
প্ৰথম সপোন জগাই তুলিলা
তৃষ্ণাতুৰ ই হিয়াত—
কস্তুৰীসম প্ৰাণপৰশেৰে
সুৰভিত কৰি মন
বিকশিত কৰা জীৱনকুসুম
মৰমৰ গৰীমাত ॥

নিৰুত্তৰ

অগাধ ৰহস্যভৰা অন্তৰৰ অজন্তাত
অবুজ ভাষাৰে কিনো লিখোঁ—
হেজাৰ নিশাৰ সতে,
নিদ্ৰাহীন প্ৰহৰৰ তালে তালে তাল ৰাখি
কাৰ বাবে গীত ৰচো নিজেই নাজানো ॥

শূন্য আকাশখনি সাবটি দুহাতে
মোৰ আৰ্ত্ত কল্পনাই,
কাৰ স্পৰ্শ পান কৰে
স্বপ্নসনা সোণালী জোনালী ?
অজানিতে অন্তৰত উদ্ভাসিত হৈ উঠে
কাৰনো দীপালি ?
মোৰ নয়নৰ শত মৌন আকুতি
জানো হায় কাৰ বাব নীৰৱে বাগৰে,
বৃন্তচ্যুত কুসুমৰ পাপৰিৰ ৰেণুসম
নিজকে বিলাই নিজে আপোন পাহৰে ॥
শাশ্বত কালৰ যেন
চকৰিৰ ফাঁকে ফাঁকে
উৎকণ্ঠিত অন্তৰৰ
সাগৰৰ সচঞ্চল ডোলা ;

প্ৰাণগঙ্গা

অশান্ত উৰ্ম্মিয়ে তাৰ
বিষাদ বিমনা কৰে
জীৱনৰ সূৰ্য্যৰঙা হেঙ্গুলী দিগন্ত
কৰে মোক ভ্ৰান্ত।

ক্লান্তিৰ অগনি জ্বলি
ললাট ৰাঙলী কৰে—
ভগ্নসুৰ বাজি ৰয় মোৰ তাঁৰে তাঁৰে,
সংশয়ৰ সাগৰৰ নাবিক হিয়াই মোৰ
নীৰৱে উচুপি মৰে
বন্দৰে বন্দৰে।

---

28 FEB 1958

সুৰধ্বনি

ৰাতিৰ ধমনী কিয় উঠে
কঁপি কঁপি
পাতৰ মৰ্ম্মৰ ?
আকাশৰ বনে বনে জোনাকৰ জুই
অগনি কিহৰ ?
নিঃসঙ্গ সুদূৰ কোন দীপত
ভাঁহিছে যেন—
বিষাদ ৰাগিনী,
অৱসন্ন গধূলিয়ে লিখি যায়
কাৰেবা কাহিনী ॥
সাগৰৰ জোৱাৰত কিহৰ
কল্লোল এই
কিয় অধীৰতা ?
ফাগুনী পখীৰ গীতে আনে কিয়
অত ব্যাকুলতা ?
কোন সুৰ কোঁৱৰৰ সুৰধ্বনি
আকাশে বতাহে
জীৱনৰ ৰন্ধ্ৰে ৰন্ধ্ৰে, পৃথিবীৰ
পাহে পাহে ভাঁহে ?

এন্ধ্ৰা জোনালী নিশা

জোনাক নিশাৰ, পাণ্ডুৰ আকাশ এৰি
সৰি সৰি পৰে সোঁ
পলৰীয়া পপীয়াৰ পাল ;
সুদূৰৰ ছায়াপথ নক্ষত্ৰৰে ঢকা—
পৃথিবীত আলোকৰ জ্বলে শত শিখা ॥

অদূৰৰ পদূলিত সৰি সৰি পৰে
সপোন শুৱনী শত
শেৱালীৰ পাহীভৰা শুভ্ৰ পৰিমল
প্ৰতি দিৱসৰ বহুতো জিজ্ঞাসা, বহু
চিন্তাৰ কুৱলী আজি শেষ হ'ল

এন্ধ্ৰা জোনালী নিশা
স্ৰষ্টাক সাবটি যেন
সৃষ্টিৰ উল্লাসধ্বনি
বাজে বৈ—বৈ—
অলেখ শীতৰ ব্যথা
বাৰিষাৰ বেদনাৰ
অৱসান হ'ব খোজে মৰণৰ ভয় লগা
মৌন স্থৱিৰতা।

জীৱনৰ আশা প্ৰেম মহাচেতনাই
শৃঙ্খল বিমুক্ত হৈ,
অনায়াস ছন্দ লৈ,
হব খোজে নৃত্যৰতা পৃথিবী বুকুত
অনেক যুগৰ বহু স্বপ্ন মোৰ ক্লান্ত চকুত ॥

বৰষা

বৰষা বিষণ্ণ বেলা
মেঘে মেঘে বিদ্যুতৰ খেলা চাই চাই
মুগ্ধ দুনয়ন,
স্মৰণৰ পৃথিবীত ধাৰাসাৰ অবিশ্ৰান্ত
স্মৃতিৰ বৰষা—
অতীতৰ ধীৰ সম্ভাষণ ॥
দিগন্ত অশান্ত হৈ
থিয় দিছে দৃষ্টিৰ আগত,
নীলিমা নামিল যেন
সীমাহীন শূন্যতাৰ
মেলি চুলিতাৰ,
মনৰ অৰণ্য ভৰি
স্মৃতিৰ বীণাৰ বাজে তাঁৰ ॥

প্ৰাণগঙ্গা

কালবিহঙ্গম উৰে
অন্তহীন গতি লৈ
জীৱনৰ সাক্ষৰ মোহাৰি
হেজাৰ স্মৃতিৰ বোজা
পৃথিৱীত পৰি ৰয়
মৰণৰ পৰিধি পাহৰি ॥

শেষৰ কবিতা

সন্মুখত শত শত
অবসন্ন সন্ধিয়াৰ
বিষণ্ণ বেদনা ৰাশি
        বৈ পৰে দৃষ্টি চুমি মোৰ,
সীমাৰ যাতনা দগ্ধ
ৰূপমগ্ন হুচকুৰে
বৈ পৰে অজানিতে
        তপ্ত চকুলোৰ ॥
প্ৰশ্নৰ প্ৰহাৰে প্ৰাণ
নিতে কৰে থানবান,
উত্তৰৰ আশা শূন্য,
        আহে অৱসাদ,

প্ৰাণগঙ্গা

দিনান্তৰ সীমান্তত
চিতাগ্নিৰ জ্বলে শিখা
হাজাৰ প্ৰশ্নৰ সেয়ে
উত্তৰ হিয়াত ॥
সপোনবিলাসী মনে
ধৰাত নীৰৱে সাজি
কামনাৰ স্বৰ্ণসৌধ
ৰঙতে মজিলে,
মিলনৰ মৌকোঁহ
চুমি চুমি পৃথিবীত
প্ৰেমপ্ৰীতি প্ৰণয়ৰ
সাগৰ ৰচিলে ॥
অবাধ আকাশে মোক
আমন্ত্ৰণ কৰিছিলে
জীৱনৰ ফাঁকে ফাঁকে
হায় কতবাৰ,
অবাৰিত প্ৰকৃতিত
বাকি দি অজস্ৰবাণী
হিয়া মন খুজিছিল
গীতৰ সম্ভাৰ ॥
ৰূপৰ পূজাত মই মগ্ন তেতিয়া হায়

প্ৰাণগঙ্গা

চিত্ত বিয়াপি মোৰ
যৌৱনৰ ৰাগী,
কামনাৰ সাগৰত
বক্ষভৰা কল্লোলৰ
উত্তাল গীতকে শুনি
আঁকিছিলো ছবি ॥

প্ৰকৃতিৰ আৱাহনী
আকাশৰ আমন্ত্ৰণ
অসীমৰ ৰিণিৰিণি
মধুৰ ইঙ্গিত,
উপেক্ষিলো সেইদিনা
মায়াত বিমুগ্ধ হৈ
নুতুলিলো সেই সুৰ
জীৱন তন্ত্ৰীত ॥

আজি যেবে জীৱনৰ,
যৌৱনৰ অবসান
পুৱালে উৎসৱ নিশা
মধু মিলনৰ,
দৃষ্টিভৰি অদূৰত
অৱসন্ন গধূলিৰ

প্ৰাণগঙ্গা

সেয়েহে ভাহিছে ছবি
মৰণ পাৰৰ ।
আজি মোৰ প্ৰাণাকাশ
প্ৰশ্নৰ কুঁৱলী ঢক
পোহৰৰ কণা নাই
দেখো অন্ধকাৰ,
ৰূপৰ অগনি শিখা
মাৰ গ'ল ধীৰে ধীৰে
নামি আহে যবনিকা
অনন্ত নিশাৰ ।

মাটিৰ সৰগ

অন্তৰৰ অজন্তাত অলেখ কবিতা
অঙ্কুৰৰ বুকুফালি দিলেহি সঁহাৰি
অজান ইঙ্গিত পাই
কাৰ জানো হায়
মাটিৰ বুকুত আজি মোৰ কবিতাই
পাহি মেলি চায় ॥
সীমাশূন্য সুদূৰৰ ৰূপ অপৰূপ
নীলিমাৰ নীহাৰিকা আকাশী বুকুত
অসীম গাৰত জ্বালি কোনে বাৰু ধূপ,
আহ্বানিছে মোক বাৰেবাৰ
সেই মহাসৌন্দৰ্য্যৰ অপৰূপ সৰগত
যোগাবলে কবিতা সম্ভাৰ ॥
সেই মহাপ্ৰেৰণাই হৃদিকাৰা ভাঙি
পৰাণত তুলি শত ধ্বনি
এবাৰো যে পৰা নাই
ফুলাব হিয়াত
কবিতাৰ শতপত্ৰ, গোপন হিয়াত ॥
আকাশৰ চুমা পাই
মোৰ কবিতাই
পৃথিবীত প্ৰাণ পোৱা নাই ॥

প্ৰাণগঙ্গা

দিগন্তৰ পথ ভ্ৰমি কান্ত পখীৰ
বুকুভঙা বেদনাৰ গান
গধূলিৰ লগনত, পশ্চিমত
পূৰবীৰ তান—
দিগবলয়ত মিলে আকাশ পৃথিবী
তৃষ্ণাতুৰ পানীপিয়া বিমান বিদাৰি
তোলে কত বিষাদৰ তান.—
তৰালীৰ মালিকাৰে আকাশ আৱৰ
সৰগৰ চুমা পাই পাহি মেলি ফুল
অপৰাজিতাৰ প্ৰাণ পাই,
মাটিৰ বুকুত আজি মোৰ কবিতাই
পাহি মেলা নাই ॥

আহাৰৰ আকাশত বিৰহী ডাৱৰ
শাৰদী জোনালী নিশা
সপোন পাৰৰ
দৃষ্টি ভৰি ৰচে এক কিযে ইন্দ্ৰপুৰী
তথাপিতো ই অন্তৰ ভৰি
কবিতা জগোৱা বাণী
আজীৱন ধৰি
শুনা নাই ক'তো এটিবাৰ
মনৰ অজন্তা মোৰ নীৰৱ নিমাত ॥

প্ৰাণগঙ্গা

ধূলিময় ধৰণীত মানৱ পূজাৰ
জনতাৰ মাথোঁ সেৱা
সাধনা হিয়াৰ ॥

তাৰে বাবে অনন্তৰ আকুল আহ্বান ঠেলি
মোৰ কবিতাই গাই গীত জনতাৰ ॥

মাটিৰ সৰগ মোৰ ইখনি পৃথিবী
মাটিকে সাবটি য'ত লুপ্ত হৈ যাও
মাটিৰ মৰম বাকি
মায়া মমতাৰে সাজি,
দুদিনীয়া পঁজা ঘৰ নিতে উজলাও ॥

এই সৰগত মোৰ মানৱ দেৱতা
ইয়াতেই ইন্দ্ৰপুৰী, এয়েই অমৰা
আছে তাতে অৰূপ ৰতন
সুখে দুখে জীৱনৰ নিত্য সাৰথি
মোৰ পৰাণৰ প্ৰিয়জন ॥

এই সৰগতে, ক্লান্তিবিহীন ভাৱে
বৈ যায় জীৱন প্ৰৱাহ
দুখৰ চকুলো মচি,
হাঁহিৰ অৰ্ঘ্য বাকি,
মানৱে আহুতি দিয়া মাটিৰ ধৰাত ॥

প্ৰাণগঙ্গা

আজি মোৰ চেতনাত
দীপ্ত বুলনি সানি
হৃদয় কাৰাৰ খুলি শৃঙ্খলিত দ্বাৰ
মাটিৰ সৰগ ভৰা জনতাৰ দেবতাই
কবিতাৰ ৰচে পাৰাবাৰ ॥

দৃং

মোৰ স্থৰৰ ৰঙেৰে ৰঙা
দিনৰ শেষৰ স্থদূৰ সন্ধ্যা তৰা
সাগৰ বুকুত লীন গৈ আছে
মোৰ কামনাৰে
বহুতো নদীৰ ধাৰা,
তাৰ ফেনিল সোঁতত মৰ্ম্মৰি উঠে
ভাব মোৰ দিশহাৰা।
কাৰ স্বপ্নৰ প্ৰান্তৰ যেন
নিভৃত পৃথিবীত,
মোৰ, অবাধ, অমৰ, অতনু হিয়াৰ

বাণীহীন. মুক ধ্যানৰ ভাষাৰ
মধুময় কোলাহল,
সপোন জগোৱা মাধবী নিশাত
বাজি ৰয় অবিৰল ।
বাসন্তিকাৰ বিহ্বলতাত
অৰুণবৰণী কৃষ্ণচূড়াত
দূৰ নীলিমাৰ অন্তৰেখাত—
মোৰ প্ৰেম যেন বহুৰঙী হৈ
মোৰ কবিতাই বহু ভাৱা কৈ
মোৰ অশ্ৰুৰে বহুধাৰা হৈ
পৃথিবীৰ বহু প্ৰকাশক কৰে
লীলাময় চঞ্চল ।

বেদনাৰ ভাষা

আজি মোৰ পৃথিবীত
শীতল শূন্যতা আৰু ঘনঘোৰ তমসাৰ
গহন অৰণ্য—
উঠে শিঞৰি শিঞৰি
ক্ষীণায়ু জীৱনদীপ, জ্বলি উঠে
সঘনে গোপনে
নিশ্বাসত উথলিল বাতিৰ আন্ধাৰ।
সূৰ্য্যসনা ডাৱৰৰ ৰাশি ৰাশি
ফুল যেন,
অন্তৰৰ বেদনাৰ ৰক্তজৱা ৰূপ—
বাহিৰত জ্বলে ধীৰে ধীৰে
সুৰভি বিলাই মোৰ
জীৱনৰ ধূপ।
অসুপ্ত সমীৰে গায়, বুকুৰ পাজৰি ভঙা
উৰুঙা সঙ্গীত,
সুৰৰ তৰঙ্গ ভাঁহি, মোৰ পৃথিবীত—
প্ৰতীক্ষা মলিন এই তুচকুৰ,
ছায়াচ্ছন্ন নীল গগনত—
জনাকীৰ্ণ পুৰতিৰ, আৰু বহু

প্ৰাণগঙ্গা

শ্ৰান্তিসনা কান্ত বিয়লিৰ
বিষণ্ণ বিস্মৃত বহু সঙ্গীহীন প্ৰহৰৰ
ৰল বহু ছাপ—
হৃদয়ৰ প্ৰীতি যেন
সমাধিৰ বন্ধনত অবৰুদ্ধ হৈ
গাই গল জীৱন সন্তাপ ।
উদাসীন পুৱালীৰ বেণুত
ভাঁহিছে ৰিণি ৰিণি
দূৰণিৰ পাহাড়ৰ চূড়াতো
শুনিলো সি কাহিনী
মেঘময় ৰজনীৰ সীমাই সীমাই
ভাহে, সেই উচুপনি
জোৱাৰ সাবটি লোৱা
অজস্ৰ নদীৰ যেন ভৰা মোহনাতো
বাজি আছে একেটি ৰাগিনী ।
কম্পিত তৰাবো শিখা কান্দে সৌ
দূৰ গগনত
বনপুষ্প সৰি পৰে অনাদৃত ভাৱে ভুবনত
অশান্ত হিয়াৰ মোৰ
উদ্বেলিত সমুদ্ৰৰ জলতৰঙ্গৰ
ছিটিকি পৰিছে যেন চাৰিদিশে

অজস্ৰ কণিকা,
আশালুব্ধ জীৱনৰ বিষাক্ত বেদনাময়
পৃথিবীৰ আকাশত
অস্ত যোৱা সুৰুযৰ ক্ষীণ জ্যোতি ঢলা
গভীৰ নিশাৰ ঘন অন্ধকাৰে ঢাকে
জীৱনৰ দিগন্তৰ কোলা ।

সূচনা

মহানগৰীৰ এই জনতাৰ সাগৰ পাৰত
স্মৃতিৰ পলসনগ্ন
পোহৰৰ পলাতক গতি
অকুণ্ঠ দৃষ্টিয়ে মোৰ
নামহীন খ্যাতিহীন, অজ্ঞাত হাজাৰ শত
পদচিহ্ন বিচাৰি বিচাৰি
অগণিত শতাব্দীৰ মেলে ইতিহাস ।
যুগজীৰ্ণ জগতত বঞ্চিত দলৰ গাঁথা
সেইখন ইতিহাসে একো লিখা নাই ।

মাথো শতিকাৰ সভ্যতাৰ
নিলাজ হাতৰ চেকা
সিদলৰ কপাল শোভিছে।
সিহঁতক মানুহৰ অধিকাৰ ৰিক্ত কৰি দিছে
এই নিৰ্ম্মম সমাজে।
দেৱতাৰো পূজাস্থল যাৰ বাবে
চিৰৰুদ্ধ, চিৰ অগোচৰ
মানুহৰ সাগৰৰ বালিত মোহাৰ খায়
সিহঁতৰ স্মৃতিৰ আঁচোৰ
শতাব্দীৰ নিপীড়িত অনাদৃত হে মানৱ
অস্পৃশ্য ঘৃণিত শুনা
অদূৰত যুগৰ আহ্বান
মানব মুক্তিৰ শিঙ্গা বাজে ৰৈ ৰৈ।
এইবাৰ শেষ হব গ্লানিময় জীৱনৰ
ম্লানিমা বেজাৰ,
মানবস্বত্বত পাবা সবে অধিকাৰ।
বুৰঞ্জীৰ পাতে পাতে
ঘৃণিত দলৰ হব, লিপিবদ্ধ জীৱন কাহিনী
সিহঁতৰ খোজে খোজে
গৰৱী সমাজে
এইবাৰ লব খোজ উদয়ৰ পথে।

প্ৰাণগঙ্গা

তাৰেই উন্মেষ ধ্বনি
মোৰ হৃদয়ত
মহানগৰীৰ এই জনতাৰ সাগৰ পাৰত ।।

উৰণীয়া

দূৰ দিগন্তৰ সৌ শান্ত সৌম্য ৰূপ
সিপাৰত অবাধ নীলিমা
সমাধি নিমগ্ন মন উৰি গুচি যায়
অৱহেলি পৃথিবীৰ সীমা ।
বৃষ্টিৰ বিৰক্ত দিনে, কৰি ম্ৰিয়মান,
বৈ আনে স্মৃতিৰ সংগ্ৰহ,
অসংলগ্ন ভাৱনাত ছিন্ন ভিন্ন হিয়া
পৰাণ উতলা অহৰহ ।
নিঃসঙ্গ নিবিড় নিশা, পিপাসা পীড়িত
হৃদয়ৰ ম্লান দীপ জ্বলে,
অসহায় অন্ধকাৰে আহ্বানি মোক
অনিৰ্দ্দিষ্ট পথ দেখুৱালে ।
অন্তৰত অঙ্কুৰিত আলোক কুসুম

স্বপ্নময় দুয়োটি নয়ন,
উদ্বিগ্ন উদাসী মন সুদূৰ প্ৰয়াসী
আকাশৰ আহ্বান মগন ॥

অনাগত

জীৱনত অসংখ্যাত
উদ্যত সৃষ্টিৰ স্বপ্ন হ'ল ছিন্ন ভিন্ন
বিঘ্নৰ বেদীত সৌৱা
তন্দ্ৰামগ্ন শ্বাপদৰ নিশ্বাস প্ৰশ্বাস
সন্মুখত
মৃত্যু কবলিত দ্বাৰ,
জীৱনত ক্লান্তিৰ জড়তা,
সূত্ৰপাত সাধনাত ৰক্তাক্ত নৈবেদ্য ব্যৰ্থ
গঢ়াৰ সপোন ধূলিস্যাৎ ॥
নিষ্ঠুৰ পৃথিৱী,
ক্ষমাৰ চকুৰে আৰু চাম ক'তকাল
তোৰ, সৃষ্টি ভঙাৰ প্ৰদৰ্শনী ?

নিঃসীম দুখৰ দিন গণি ?
এইবাৰ মোৰ পাল,—
        ৰুদ্ধ-বন্দী-কক্ষ মেলি
                আনিম আহ্বানি সূৰ্য্যদীপ,
        তাৰে অপেক্ষাত,
        প্ৰতীক্ষা উৎকৰ্ণ চাৰিদিশ
মহাকালে ইঙ্গিত জনায়
উদ্দাত্ত আহ্বান—
"ভয় নাই, ভয় নাই, সূৰ্য্যৰ তপস্যা নোহে ব্যৰ্থ"
পোহৰৰ প্লাৱনত,
উদ্ভাসিত, উচ্ছ্বসিত হব সেইদিনা
জীৱনৰ বিৰাট সূচনা ॥

আকাশ পিয়াসী

আকাশ পিয়াসী চিত্তৰ মোৰ
শুভ্ৰ দুখনি ডেউকাই,
বায়ু সাগৰৰ হাজাৰ যোজন চুমি
উৰি যায় কোন অৰুণাচলৰ
তীৰ্থৰ পথ ভ্ৰমি।
চিৰ প্ৰৱাহিত কাল সাগৰৰ
সোঁতৰ গতিৰ বুকুত
মোৰ সত্ত্বাক দিছো এৰি
পৃথিৱী প্ৰিয়াৰ শ্যামলী ছবিটি
বহু দূৰলই থেলি।
আজি, গগনে পৱনে, আন্ধাৰে পোহৰে
সপোনে দিঠকে তৰাৰ দেশেৰে
সীমাহীন মোৰ গতি।
ভাবিছিলো মোৰ পৃথিৱী জনীয়ে
পলৰীয়া মোৰ প্ৰাণ পখীটিক
ৰাখিব পাৰিব ধৰি,
দুচকুত জ্বালি ৰূপৰ দীপালি
প্ৰাণ উন্মাদ কৰি,
বক্ষত তুলি বহু সাগৰৰ
কল্লোল কলৰোল,

৩

কণ্ঠৰ বীণা ঝঙ্কৃত কৰি
অমৃত গীতি জুৰি
বৃষ্টি-মুখৰ আহাৰ দিনত
চকুপানী টুকি টুকি
সেউজী ভাবৰ সেউজী লিপিকা
সেউজী ভাষাৰে লিখি
উৰণীয়া মোৰ তুখনি ডেউকা
ৰাখিব পাৰিব ধৰি ।
কিন্তু,
জীৱনৰ মোৰ সপোন ভাগিল
কতেবা পৃথিবী প্ৰিয়া ?
শান্তি বাৰতা দিয়া ?
সেয়ে আজি ফুৰো আকাশে বতাহে
শান্তিৰ ক্ষুধা বৈ
গগনে পবনে, বিষাদ বিমনা হৈ
সপোনে দিঠকে আন্ধাৰে পোহৰে
নীলিমাৰ তুয়োমূৰে,
শান্তিৰ পম খেদি
উৰণীয়া মন উৰি গুচি যায়
দূৰণিৰ সীমা ভেদি ॥

হে সূৰ্য্য

উদয়-সাগৰ অৰুণ-ৰঙা
ৰশ্মি তাৰেই এচেৰেঙা
মাটিৰ ঘৰৰ ধূলিত ফুলায়
পোহৰ-শতদল,
গগন ভৰা পৰশ লাগে
আনন্দৰে বক্ষ ভৰে
মৃদু মৃদু দোলন লাগি
সঁৰিল পৰিমল ॥
গীতে গন্ধে মহানন্দে
বসুন্ধৰা জাগি উঠে
পাহাড় চূড়াত মেঘৰ লেখাই
আশাৰ বাণী লিখে,
উৰ্ম্মিমুখৰ মনৰ সাগৰ
সেউজী আচল প্ৰকৃতি বুকত,
মৃত্যু দূতৰ বিভীষিকাৰ
শঙ্কা আঁতৰ কৰে ॥
অৰুণ আলোক প্ৰণাম তোমাক
প্ৰণাম উষা, প্ৰণাম ধৰাক
মাতৃ মাটিৰ জয়ৰ গানত
বাঙ্ময় হ'ল প্ৰাণ,

প্ৰভাত সূৰ্য্য নমোৱা ধৰাত
আন্ধাৰ বিনাশি আলোৰ প্ৰপাত
পোহৰ প্ৰয়াসী কৰাহে চিত্ত
তমসা কৰাহে ম্লান ॥

স্বাগতম

নিশাৰ,
অসহায় আন্ধাৰৰ পাতল ঢাকনি মেলি
জবাকুসুম আকাশে আনিছে,
জীৱন্ত সূৰ্য্যৰ আশ্বাস,
প্ৰভাতৰ মন-উজলোৱা
ৰঙা ৰঙা বাতৰি।

কৃষ্ণচূড়াৰ ফুলে পাতে
অবাধ আনন্দৰ শোভাযাত্ৰা
মানুহৰ মঙ্গলকামী শঙ্খধ্বনিত
সুনিবিড় অভ্যৰ্থনা।
অশান্ত জলপ্ৰপাতৰ দৰে
বতাহত কবিতা-সিচা পখীজাকৰ উতলা গানত
অশান্ত সাগৰৰ চঞ্চলতা
সৃষ্টিৰ উল্লাস ধ্বনি।

প্ৰাণগঙ্গা

বহুতো যুগৰ জাগৰণে,
মোৰ ক্ষীণ কৰি দিয়া কণ্ঠৰ কঁপনিতো
নব সূৰ্য্যৰ প্ৰেম উপলব্ধি ।
তাৰে স্পৰ্শত,
বাসন্তী যৌবন মোৰ
আপোনপাহৰা ।
মনোময় জগতৰ স্বপ্নময় নীড়ৰ উত্তাপত
নবসূৰ্য্যৰ স্পৰ্শ লভা, প্ৰোজ্জ্বলা প্ৰাণ মোৰ
উজ্জ্বল, ৰঙীন, সুন্দৰ ।
অভ্ৰভেদি কল্পনাৰ স্বপ্নজাল-বন্ধনত
দুৰবল দুৰ্ভাবনা আজি পালে লয় ।
মিঠা মিঠা অনুৰাগে
ৰঞ্জিত যৌবনে,
জয়ৰ কাৰেং সাজি
জীৱন মেলাত,
স্বাগতম যাচে আজি নতুন পুৱাক ॥

এটি গধূলিৰ কবিতা

অশান্ত গধূলি আজি
সন্ধিয়া নামিছে মোৰ নয়নত
বন্ধু,
চোৰা সন্ধ্যা নামে দূৰ গগনত ॥
সূৰ্য্যৰ সৌৰভ ৰাজি দিনদিনান্তৰ
ক্লান্ত কুহুধ্বনিবোৰ
বিমৰ্ষ কুঞ্জৰ
একে একে গ'ল মাৰ—
নামি আহে নিশাৰ প্ৰহৰ,
মৃত্যুৰ মিনতি সনা
প্ৰতিটো ধমনী যাৰ
বন্ধু,
শুনা পদধ্বনি তাৰ ॥
আজি এই অশান্ত গধূলি
বুকুত সৰিছে মোৰ শীতৰ কুঁৱলী
জীৱনৰ লাভ, ক্ষতি, আশা, প্ৰেম
অশ্ৰুৰ সঞ্চয় মিলি
উতলা সন্ধিয়া বেলা,
হিয়াত তুলিছে মোৰ
"বিভিন্ন কোৰাছ" ।

প্ৰাণগঙ্গা

দিগন্তৰ কান্দোনতো
সীমাহীন শূন্যতাৰ অনন্ত মৰ্ম্মৰ।
কৰ্ম্মক্লান্ত দৃষ্টিৰ আঁৰত মোৰ
জীৱনৰ জটিল গ্ৰন্থিল বৃক্ষ,
উঠে মূৰ ডাঙি,
শাখা প্ৰশাখাৰে মোৰ
মনৰ পৃথিৱী ছানি ॥

বন্ধু মোৰ,
অশান্ত গধূলি আজি
শান্ত মাথোঁ স্মিৰিতি তোমাৰ
এটুকুৰা কথা, এটি গীত
এনে এটি গধূলি বেলাৰ ॥

সুপ্ৰভাত

প্ৰভাতৰ প্ৰভাকৰে,
পোহৰৰ গৰিমাৰে,
পূৰ্ব্বাচল পোহৰালে,
উষা-লগনত,
বননিৰ শিৰে শিৰে
মাণিক মুকুতা জ্বলে
শতপত্ৰ বিকশিত
পদুম-বনত ॥

দীপ্ত গগনভৰি,
জেউতি-কানন,
অনাদিৰ আৰতিত,
পৃথিবী মগন,
উষাৰ আচল উৰে
সোণৰ কণিকা জ্বলে
মহা আলোকৰ ঢলে
চুমিলে ভুবন ॥

পাহাৰ পৰশি অহা
লাহতী মলয়া বাই
অনাগত দিবসৰ
কৰে সম্ভাষণ ॥

প্ৰাণগঙ্গা

নবীন ভানুৰ নব তৰুণ ৰাগত
লাজুকী বসুধা খনি
উঠিলে উজলি,
পলাশৰ সৰাফুলে
জৱাৰ ৰাঙলী বোলে
নতুনৰ বাবে কৰে
পুৱাৰ আৰতি ॥

বিজন বনৰ বলি মৃদুল সমীৰ
অজানিতে পুলকেৰে কৰিলে অধীৰ
অনন্ত কল্লোল গীতে
উল্লাসিত চৰাচৰ
সমীৰণে বাকি দিছে
সুৰভি মদিৰ ॥

উদয়-সমুদ্ৰ নাচে দৃষ্টিৰ আগত
অনন্ত তৰঙ্গ তাৰ অন্তৰ পাৰত
অব্যক্ত আহ্বান কাৰ
শুনো বাৰে বাৰে,
অন্তৰ উঠিছে নাচি
অনন্ত ভঙ্গীৰে ॥

প্ৰাণগঙ্গা

অকুল ভাৱৰ সিন্ধু উঠিছে উথলি
চিত্তৰ বৃন্ত্যত ফুলে
নৱ পুষ্পকলি
যুগযুগান্তৰ এই মায়াৰ বন্ধন ছেদি
পলাতকা প্ৰাণ মোৰ
ফুৰে উৰি উৰি ॥

আত্মাৰ আকাশ মোৰ
প্ৰভাত ৰঞ্জিত
অন্তৰৰ প্ৰতি কোন আলোকে প্লাবিত
অনাদি কালৰ শত
ৰহস্যৰ ঢউ বোৰে
চঞ্চল চিত্তত তোলে
সহস্ৰ কল্লোল,
ৰুদ্ধ মোৰ কণ্ঠভৰি
অজানা বেদনা জাগে
অশ্ৰু প্ৰবাহ নামি
অন্তৰ আকুল ॥

তিমিৰ যাত্ৰী

দূৰ বহুদূৰ,
সোণোৱালী জীৱনৰ, আশাসুখ হৰষৰ
এৰি থৈ চিৰকাম্যপুৰ,
সূচীভেদ্য আন্ধাৰত নমনো পথৰ দিশ
হুচকুত বন্যা চকুলোৰ ॥
বিষাদ বিমনা,
জীৱনৰ দিগচক্ৰসীমা,
দিবসৰ চিতাজ্বলে অস্তপাৰত
নামি আহে নিশাৰ কালিমা ॥
কালসিন্ধু গৰজে দূৰত,
উৰ্ম্মিমুখৰ তাৰ, সংশয়ৰ হাহাকাৰ
অসীম ৰোদন তোলে মোৰ হৃদয়ত ॥
তৰঙ্গে তৰঙ্গে নাচি সাগৰ ডোলাত
ঘন নীল বিষাদ সিন্ধুত,
কুলহীন নিৰাশাত উটিছো বুৰিছো
অফুৰন্ত অনাদি মৰুত ॥
চাহাৰাৰ বালুকাত সাজিলো আশাৰ ঘৰ
চিতাৰ বুকুত গাথোঁ হোমৰ মালিকা
প্ৰলয়ৰ ঘনঘোৰ ছন্দ মালাৰে ৰচোঁ
দিঠকবীণাত মোৰ অলেখ কবিতা ॥

প্ৰাণগঙ্গা

বিশ্বজোৰা অন্ধকাৰ নাচে সম্মুখত
কিৰণৰ কণা কতো নাই
নিয়তিৰ হাত ধৰি, তিমিৰ যাত্ৰী মই
খুপি খুপি যাওঁ আগুৱাই ॥
গীত মোৰ চিৰকাল পৃথিৱীয়ে নুবুজাকে
জনমে জনমে বাজি আকউ হেৰাব
অপ্ৰকাশ বেদনাৰ তীব্ৰ দহন শিখা
একেদৰে জীৱনত অগনি জ্বলাব ॥
কালৰ বেদীত কান্দি বাউলা বেশেৰে
চকুপানী টুকিম নীৰৱে
সংশয়ৰ সাগৰত, নিয়তিৰ ইঙ্গিতত
উটি বুৰি জনমে জনমে ॥

ক্ষতি নাই

মোৰ এই গীতে,
দূৰণিৰ আকাশ নোচোৱে ;
আকাশ দূৰৰে কথা—
সুৰৰ কঁপনি লাগি
গধূলিৰ পত্নলিৰ বননি নকঁপে সোণ
জৰাফুলো নুফুলে এদিনো ।
তোমাৰ অন্তৰ ?
ইমান ওচৰ হায় ইমান দূৰৰ
গীতে মোৰ কেনেকৈ ধৰে ?
যদিওবা,
কলিজাৰ সৰাতেজে
স্তুতি হৈ ৰচে,
প্ৰেমৰ কবিতা অফুৰন্ত
সৃষ্টিৰ সুৰ বাজি
তন্ত্ৰী মুখৰ হয়
কত নিশা, নাই সোণ অন্ত ॥
প্ৰাণৰ পৰাগ পৰি
এই গীত গন্ধময়
কিদৰে বুজিবা ?
বুকুৰ সীমাত কান্দে

প্ৰাণগঙ্গা

ভালপোৱা সীমাহীন
কলে পতিয়াবা ?
শুনা সোণ,
শুনা হেৰা পৃথিবাৰ
যত ফুল যত লতা
শুনা জোন, জিকিমিকি তৰা,

কণ্ঠভৰা গীতে মোৰ
নিবিচাৰে বিনিময়—
নাই সংশয় ॥
সুৰৰ ফল্গু মোৰ
বব চিৰকাল—
জীৱনৰ পৃথিবী তলত,
নুফুলক জৰা যুতি
কোনো ক্ষতি নাই,
তোমাৰ পৰানো সোণ
এই গীতে নপৰশে নাই ।
মই যাম চিৰকাল
গীতকে বিনাই ॥

ইঙ্গিত

বুকুৰ মাজত লক্ষ কথাৰ বন
বহু বিহগৰ মধু গুঞ্জন
নয়নৰ ভাষা, কবিতা কোমল-ঘন,
মোৰ উন্মনা মন ।
শত যাযাবৰ ব্যথাৰ কঁপনি
জ্বলি জ্বলি উঠে জীৱনবহ্নি
ক্ষীণায়ু প্ৰীতিৰ প্ৰদীপ শিখাত
স্মৃতিৰ পৰশমণি ।
কোন মধুৰৰ মধুময় ইঙ্গিত
তন্ত্ৰী কঁপোৱা লক্ষ কথাৰ গীত
ক্লান্ত নীৰৱ নিশাৰ স্বপ্ন জাগে
অসীম আশাৰ আলোকৰ বুলনিত

শেষ সন্ধ্যা

জীৱনৰ প্ৰথম পুৱতি
সৌন্দৰ্য্যপিয়াসী মোৰ
সন্দিগ্ধ দুচকু মেলি
সুপ্ৰাচীন আকাশত
দেখিছিলো স্বপ্নভৰা
দিগন্ত প্ৰসাৰী সৌ
মুক্তিময় শ্যামলিমা ৰূপ :
দৃষ্টিৰ বলয় জুৰি
সৃষ্টিৰ উল্লাস ছবি ।
অহেতুক আনন্দত
জাগিছিল হৃদয়-স্পন্দন
নব-সূৰ্য্য বন্দনাত
উন্মুক্ত আৱেগ লৈ
ৰচিছিলো ছন্দৰ-পাপৰি ।
আৰু আজি, শেষ সন্ধ্যা
ৰক্ত-ক্ষৰা ৰক্তিম গধূলি
সহস্ৰ মৃত্যুৰ গীতে
মৌন কৰে ছন্দৰ-কাকলি

প্ৰাণগঙ্গা

হেজাৰ নিশাৰ অন্ধ
অযুত আন্ধাৰ নামে
অলেখ সপোন সৰি পৰে
আশাৰ সূৰ্য্যাস্ত চাই
আক্ষেপৰ চকুলো নিজৰে।

তুমি নাই

মধুক্ষৰা,

কনকচম্পাৰ দৰে বিকশি বিকশি উঠা
তোমাৰ স্নিগ্ধ-ৰূপ,
আহাৰৰ ৰসস্পৰ্শ পান কৰি
উল্লাসি উঠা যেন,
এজুপি মালতীলতা
পল্লবে পল্লবে যাৰ
সেউজীয়া মৰমৰ সেউজী কথাৰ-মালা
দখিণা সমীৰে যাৰ আনে আকুলতা।
পাপৰিৰ পৰাগত উচ্ছসিত যৌবনৰ
বাণীৰ প্ৰকাশ।

প্ৰাণগঙ্গা

মোৰ জীৱনৰ বন্ধু
বসন্তৰ কাব্যময় নিশাৰ প্ৰহৰ
উজ্বলাই তুলিছিলা,
মধুক্ষৰা,
মধুসৰা বক্ষৰ দানেৰে
নয়নৰ বহ্নিশিখাৰে ।
স্মৃতিৰ সংগ্ৰহ সেই
জাগিউঠে সপোনে দিঠকে
বাৰে বাৰে ।
ডাৱৰৰ হিয়াফালি
সোণোৱালী সুৰুয ৰশ্মিকণা
বাগৰে যিদৰে ॥
তোমাৰ বিৰহাতুৰ
বহুতো মধ্যাহ্ন মোৰ
তোমাৰ স্মৃতিৰে ভৰপূৰ—
দুঃস্বপ্নৰ বুকুফালি
পৰাণৰ ৰন্ধ্ৰভৰি
সানি যায় ইকি অমৰতা
মধুক্ষৰা,
তুমি নাই আছে তব উজ্জ্বল শুভ্ৰতা ॥

মিনতি

লক্ষ্যহীন কক্ষবন্দী মোৰ আৰ্ত্ত জীৱনত
শুনিছানে মৃত্যুৰ আৰতি
দেখিছানে স্রোতস্বিনী জীৱন প্ৰৱাহে মোৰ
ৰুদ্ধ কৰা গতি ?
স্তব্ধ জীৱনাকাশ বিৰহবিজন
নিদ্ৰাহীন বহু শত ৰাতি ॥
যৌবনৰ পদূলিত অনেক মৃত্যুৰ খেল
দুঃস্বপ্নই গ্ৰাস কৰে—
মনেসজা পৃথিবীৰ ৰূপ
অচল জীৱন-ৰথ, গতি অৱসন্ন
পুৰি গ'ল সুৰভিত ধূপ ।
মৃত্যুৰ মৃদঙ্গ বাজি ক্ষীণ কৰে
সুনিবিড় আত্মাৰ কাকুতি,
আন্ধাৰ আঁৰত জ্বলে
নিয়তিৰ নিৰ্ম্মম ভ্ৰূকুতি ।
মোৰ জীৱনৰ এই
বেদনাৰ অসীম উদ্ৰ্তা
শেষ কৰা প্ৰিয়তম
অবাঞ্চিত মৃত্যুৰ আৰতি

প্ৰাণগঙ্গা

জীৱনত আনি দিয়া গতি
পূৰ্ণ কৰা যৌবনৰ মহা আশীৰ্ব্বাদ
মৃত্যুৰ কণ্টক ছেদি
জীৱনৰ দিয়া মধুস্বাদ ॥

THE NABIN ...
28 FEB 1958

Please handle the book carefully